**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-06 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত দিয়া ভাষণৰ এটা প্ৰতিলিপি কালি লোকসভাত দাখিল কৰা হয়।

২। কেন্দ্ৰীয় মন্ত্ৰী জিতন ৰাম মাঝিয়ে কালি নতুন দিল্লীত বিশ্ব এম এছ্ এম ই দিৱস উপলক্ষে দুখন আঁচনিৰ শুভাৰম্ভ কৰে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব।

৪। মহাকাশচাৰীদ্বয় সুনীতা উইলিয়ামছ্ আৰু বুট্চ উইলম'ৰৰ পৃথিৱীলৈ ঘূৰি অহাৰ পৰৱৰ্তী দিন ৬ জুলাই ধাৰ্য কৰা হৈছে।

**আৰু**

৫। ভাৰতে আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত দিয়া ভাষণৰ এটা প্ৰতিলিপি কালি লোকসভাত দাখিল কৰা হয়। ৰাষ্ট্ৰপতিৰ ভাষণৰ পাছত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত এই প্ৰতিলিপি সদনত দাখিল কৰা হয়। ইয়াৰ পাছতে অধ্যক্ষ ওম বিৰলাই কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীক নিম্ন সদনৰ বিৰোধী পক্ষৰ নেতা হিচাপে স্বীকৃতি প্ৰদানৰ কথা ঘোষণা কৰে। পাছত সদনৰ কামকাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

ৰাজ্যসভাতো কালি ৰাষ্ট্ৰপতিৰ ভাষণৰ এটা প্ৰতিলিপি দাখিল কৰা হয়। সভাপতি জগদীপ ধনখড়ে অধিৱেশনৰ আৰম্ভণিতে কয় যে, সদ্য সমাপ্ত লোকসভা আৰু চাৰিখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ পাছত এয়া প্ৰথম অধিৱেশন। তেওঁ কয় যে, বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰূপে বিবেচিত ভাৰতবৰ্ষৰ জনসাধাৰণে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ সময়ত গণতান্ত্ৰিক নীতি আৰু প্ৰমূল্যৰাজীৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে। গণতন্ত্ৰৰ এই উৎসৱৰ সফল সামৰণি সকলোৰে বাবে গৌৰৱ আৰু শলাগৰ বিষয় বুলি সভাপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, অলপতে হৈ যোৱা দ্বিবাৰ্ষিক নিৰ্বাচনৰ পাছত উচ্চসদনো আংশিকভাৱে পুনৰ গঠিত হৈছে। সভাপতিগৰাকীয়ে নৱ-নিৰ্বাচিত আৰু মনোনীত ৬১ গৰাকী সদস্যক অভিনন্দন জ্ঞাপন কৰে। তেওঁ লগতে এই সদস্যসকলে তেওঁলোকৰ পূৰ্ণ সম্ভাৱনাৰ সদ্ব্যৱহাৰ কৰি দেশৰ জনসাধাৰণৰ আকাংক্ষা পূৰণৰ ক্ষেত্ৰত অৰিহণা আগবঢ়াব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৰাজ্যসভাত নতুনকৈ গঠিত মন্ত্ৰী পৰিষদৰ সদস্যসকলক পৰিচয় কৰাই দিয়ে। ইয়াৰ পাছতে উচ্চ সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখা হয়।

ooooo

কেন্দ্ৰীয় অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জিতন ৰাম মাঝিয়ে কালি নতুন দিল্লীত বিশ্ব অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ দিৱস উপলক্ষে দুখন নতুন আঁচনিৰ শুভাৰম্ভ কৰে। কালি মুকলি কৰা এম এছ্ এম ই টীম নামৰ আঁচনিখনৰ লক্ষ্য হৈছে- ডিজিটিয় বাণিজ্যৰ মুক্ত নেটৱৰ্কৰ বাবে পাঁচ লাখ অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ উদ্যোগক সুবিধা প্ৰদান কৰা। ইপিনে কালি মুকলি কৰা য়শস্বিনী শীৰ্ষক উদ্যমে মহিলাৰ মালিকানাধীন অনানুষ্ঠানিক অতি ক্ষুদ্ৰ উদ্যোগসমূহক আনুষ্ঠানিক কৰি গঢ়ি তোলাৰ লগতে প্ৰয়োজনীয় সুবিধা আৰু সাহায্য আগবঢ়াবলৈ গণ সজাগতাৰ গুৰুত্ব আৰোপ কৰিব।

বিশ্ব অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ দিৱস উপলক্ষে আয়োজিত উদ্যমী ভাৰত শীৰ্ষক অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে দ্ৰুতভাৱে পৰিৱৰ্তিত পৰিৱেশত উদ্যোগসমূহে ডিজিটীয় আৰু প্ৰযুক্তিগত উপায়ৰ সহায়েৰে আগবঢ়া উচিত। তেওঁ কয় যে, চৰকাৰে বৰ্তমান কৰি থকা সংস্কাৰৰ অংশ হিচাপে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডত আইনী সংস্কাৰে বিশেষ ভূমিকা পালন কৰিব। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, অৰ্থনৈতিকভাৱে পিছপৰা ব্যক্তিসকলৰ বিকাশ উদ্যোগীকৰণৰ ওপৰত নিৰ্ভৰশীল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটিৰ ঠিক পাছতে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

ঝাৰখণ্ডৰ ৰাঁচীৰ এখন বিশেষ ক'লাধন বৈধকৰণ প্ৰতিৰোধী আদালতে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত চোৰেনৰ ন্যায়িক জিম্মাৰ ম্যাদ ১৪ দিনলৈ বৃদ্ধি কৰিছে। হেমন্ত চোৰেন আৰু অন্য ১১ জন অভিযুক্তক কালি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিশেষ আদালতৰ সন্মুখত হাজৰিৰ কৰোৱাত ন্যায়ালয়ে এই ৰায় দিয়ে। ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা চোৰেন ভূমি কেলেংকাৰীৰ জৰিয়তে ক'লাধন বৈধকৰণৰ অভিযোগত ৰাঁচীৰ বীৰচা মুণ্ডা কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ আছিল। চোৰেন আৰু অন্য অভিযুক্ত কেইগৰাকীক ১১ জুলাইত পুনৰ আদালতত হাজিৰ কৰোৱা হয়। অভিযুক্ত কেইগৰাকীৰ বিৰুদ্ধে ইতিমধ্যে অভিযোগ নামা দাখিল কৰোৱা হৈছে। বিধি বলৱৎকাৰী সঞ্চালকালয়ে কেইবাঘণ্টাজোৰা জেৰাৰ অন্তত ৩১ জানুৱাৰীত প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰিছিল।

ooooo

কাৰিকৰী আসোঁৱাহৰ বাবে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত আবদ্ধ হৈ থকা সুনীতা উইলিয়ামছ আৰু বুট্চ উইলম'ৰৰ পৃথিৱীলৈ ঘূৰি অহাৰ পৰৱৰ্তী দিন ৬ জুলাই ধাৰ্য কৰা হৈছে। ইয়াৰ ফলত পোনতে ৮ দিনৰ বাবে

পৰিকল্পনা কৰা এই অভিযান এতিয়া এমাহলৈ চলিব। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি মহাকাশচাৰীদ্বয়ক আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ কঢ়িয়াই লৈ যোৱা ষ্টাৰ লাইনাৰ মহাকাশ যানখনৰ হিলিয়াম প্ৰণালীত আসোঁৱাহ থকা বুলি গম পোৱাৰ পাছতো নাছা আৰু বয়িং কৰ্তৃপক্ষই উৎক্ষেপণ পিছুৱাই দিয়া নাছিল বুলি অভিযোগ উত্থাপিত হৈছে।

ooooo

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ 97166-80969 আৰু 96196-86659 নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন আজি সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

ooooo

ভাৰতে আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে যোৱা নিশা গায়ানাত অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডক ৬৮ ৰানত পৰাস্ত কৰে। বৰ্ষাবিঘ্নিত খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৭১ ৰান কৰে। ভাৰতৰ হৈ অধিনায়ক ৰোহিত শৰ্মাই ৩৯ টা বলত সৰ্বাধিক ৫৭ ৰান কৰাৰ বিপৰীতে সূৰ্যকুমাৰ যাদৱে ৩৬টা বলত ৪৭ আৰু হাৰ্ডিক পাণ্ডিয়াই ১৩ বলত ২৩ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ ক্ৰিছ জৰ্ডানে ৩টা উইকেট দখল কৰে। ৰীচি টোপলে, জোফ্ৰা আৰ্চাৰ, ছেম কুৰেন আৰু আদিল ৰাচিদে এটাকৈ উইকেট অৰ্জন কৰে।

প্ৰত্যুত্তৰত ইংলেণ্ডে ১৬ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইংলেণ্ডৰ হৈ হেৰি ব্ৰুকে ১৯ টা বলত ২৫ ৰান কৰে। ভাৰতৰ কুলদ্বীপ যাদৱ আৰু অক্ষৰ পেটেলে ৩টাকৈ উইকেট দখল কৰে। যশপ্ৰীত বুমৰাহে দুটা উইকেট লাভ কৰে। অক্ষৰ পেটেলক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰত কাইলৈ বাৰবাডোছত হ'বলগীয়া ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে এইবাৰকে ধৰি তৃতীয়বাৰৰ বাবে প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।০

ooooo

ইউ এছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ মালবিকা বানচোড় আৰু প্ৰিয়াংশু ৰাজাৱাটে ছিংগলছৰ আৰু তৃষা জলী আৰু গায়ত্ৰী গোপিচান্দৰ যুটীটোৱে মহিলাৰ ডাবলচৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

মহিলাৰ ছিংগলছৰ মালবিকাই প্ৰিকোৱাৰ্টাৰ ফাইনেল পৰ্যায়ত চেকগণৰাজ্যৰ প্ৰতিদ্বন্দ্বী তেৰেজা স্বাবিকোভাক পৰাস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত খেলুৱৈ গৰাকী আজি স্কটলেণ্ডৰ কিৰ্ষ্টী গিলম'ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে পুৰুষৰ ছিংগলছৰ প্ৰিয়াংশু ৰাজাৱাটে চীনা টাইপেইৰ প্ৰতিদ্বন্দ্বী হুৱাং য়ু কাইৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছেমিফাইনেলত স্থান নিশ্চিত কৰাৰ বাবে খেলুৱৈ গৰাকী চীনৰ লেই লাংচিৰ মুখামুখি হ'ব।

একেদৰে মহিলাৰ ডাবলছত দ্বিতীয় বাছনিপ্ৰাপ্ত ভাৰতৰ তৃষা জলী আৰু গায়ত্ৰী গোপিচান্দৰ যুটীটোৱে প্ৰিকোৱাৰ্টাৰ ফাইনেলত চীনা টাইপেইৰ চিয়েহ পেই চান আৰু হুং এন-জুৰ যুটীটো ২১-১১, ২১-১৯ গেমত পৰাস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় যুটীটো জাপানৰ ৰুই হিৰোকামি আৰু য়ুনা কাটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

অৱশ্যে পুৰুষৰ ডাবলছৰ প্ৰীকোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ কৃষ্ণ প্ৰসাদ গৰগা আৰু ছাই প্ৰতীক কেৰ যুটীটো আমেৰিকা যুক্তৰাষ্ট্ৰৰ ঝি য়ি চেন আৰু প্ৰিছলি স্মিথৰ বিৰুদ্ধে পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

ooooo

ভাৰতৰ ট্ৰেক এথলিট কিৰণ পাহালে অহা মাহত হ'বলগীয়া পেৰিছ অলিম্পিকৰ মহিলাৰ ৪০০ মিটাৰ দৌৰলৈ যোগ্যতা অৰ্জন কৰিছে। হাৰিয়ানাৰ ২৪ বছৰীয়া খেলুৱৈগৰাকীয়ে পঞ্চকুলাত চলি থকা ৰাষ্ট্ৰীয় আন্তঃৰাজ্যিক চিনিয়ৰ এথলেটিকছ চেম্পিয়নশ্বিপৰ ছেমিফাইনেলত ৫০ দশমিক ৯-২ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি এই যোগ্যতা অৰ্জন কৰে। অলিম্পিকলৈ যোগ্যতা অৰ্জনৰ বাবে নিৰ্ধাৰিত সময় আছিল ৫০ দশমিক ৯-৫ ছেকেণ্ড।

খেলুৱৈগৰাকী লগতে ২০১৮ চনত জাকাৰ্টাত অনুষ্ঠিত এছিয়ান গেমছত ৫০ দশমিক ৭-৯ ছেকেণ্ডেৰে ৰাষ্ট্ৰীয় অভিলেখ গঢ়া হিমা দাসৰ পাছতে মহিলাৰ ৪০০ মিটাৰ দৌৰত দেশৰ দ্বিতীয় দ্ৰুততম দৌৰবিদ হিচাপে পৰিগণিত হয়। ৰাষ্ট্ৰীয় আন্তঃৰাজ্যিক ছিনিয়ৰ এথলেটিকছ চেম্পিয়নশ্বিপৰ চূড়ান্ত পৰ্যায়ৰ খেল আজি অনুষ্ঠিত হ'ব।

এই প্ৰতিযোগিতাখন হ'ল ভাৰতীয় খেলুৱৈসকলৰ বাবে পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰাৰ বাবে অন্তিম সুযোগ।

ooooo

**সমাপ্ত**